**বিজ্ঞান ধাৰাৱাহিক – অবিৰত খোজ ...**

**খণ্ড – ৪২**

**সমুদ্ৰ – এক কল্পযাত্ৰা**

**শ্ৰী মেঘ্না চৌধুৰী**

**( মূল লেখনিৰ অসমীয়া ভাঙনি)**

**(ঘোষণা আৰু সংগীত)**

**চৰিত্ৰ সমূহ –**

১. এগৰাকী আঁতধৰোতা / নাৰীকণ্ঠ
২. ৰিণী - দহ বছৰীয়া এজনী ছোৱালী
৩. বাবলু – দহ বছৰীয়া এটা ল'ৰা
৪. ডলি – এটা ডলফিন/ শিহু (মহিলা কণ্ঠ হ'ব পাৰে)
৫. তুফান – এটা চেইল মাছ (পুৰুষ কণ্ঠ হ'ব পাৰে)
৬. এগৰাকী গৱেষক – যিকোনো বয়সৰ পুৰুষ/ মহিলা
৭. সমুদ্ৰ – প্ৰতীকী চৰিত্ৰ, বয়োজ্যেষ্ঠ কণ্ঠ

(যাদুকৰৰ ৰহস্যময় শব্দ আৰু সংগীত)
গিলি গিলি ফু ... (পানীত থপথপাই যোৱা শব্দ হ'ব)

আঁতধৰোতা – আৰু ... তাৰ পিছত... হঠাতে ... ৰিণী আৰু বাবলু পানীত ঢপংকৈ পৰি গ'ল।

ৰিণী (উৎসাহত) – বাঃ আমাৰ বুদ্ধিটোৱে কাম দিলে তাৰমানে! আমি মানুহ – মাছ হৈ পৰিলো। এয়া আমাৰ পাখি আছে, বাকলি আছে, মাছৰ দৰে নেজো ফিঁচাও আছে। যাদুটোৱে কিন্তু সঁচাকৈয়ে কাম কৰিলে।

বাবলু ( আচৰিত হৈ) – আমি তেন্তে এতিয়া সাঁতুৰি – সাঁতুৰি সাগৰৰ ভিতৰখন চাই ফুৰিব পাৰিম। কিন্তু আমাক ডাঙৰ মাছে খাই নেপেলালেই হ'ল আৰু।

ডলি (হাঁহি পেলায়) – হাঃ হাঃ হাঃ। তুমি ডাঙৰ মাছবোৰলৈ কিয় ভয় কৰিছা? তুফান আৰু মই তোমালোক দুয়োকে নিৰাপদে সাগৰৰ ভিতৰেৰে লৈ ফুৰিম নহয়।

ৰিণী আৰু বাবলু – হাৰে!! কোন তোমালোক ...??

ডলি – হাঃ হাঃ ..। মই ডলি ... সাগৰৰ শিহু আৰু ...

তুফান – আৰু মই তুফান। সাগৰৰ চেইল মাছ!

ডলি - সাগৰখন আমাৰ বন্ধু আৰু ই অতিথিসকলক বৰ ভাল পায়। গতিকে আমি লগত থাকিলে তোমালোকৰ একো বিপদ নহয়। আহা তেন্তে সাঁতুৰি সাঁতুৰি আনন্দমনে  আগবাঢ়ো।

( আনন্দমুখৰ সংগীত)

আঁত ধৰোতা – ৰিণী আৰু বাবলু যেনেদৰে খেলৰ লগৰীয়া আছিল, ঠিক তেনেদৰে তুফান নামৰ চেইল মাছটো আৰু ভাৰত মহাসাগৰৰ ডলি নামৰ ডলফিনটোও নলে-গলে লগা বন্ধু। ভাৰতৰ পূৱ দিশৰ সমুদ্ৰ তীৰত ডাঙৰ দীঘলহোৱা ৰিণী আৰু বাবলুৰ দেউতাকহঁত সৰু-সৰু মাছমৰীয়া। প্ৰতি পুৱাই যেতিয়া সিহঁতে বিশাল সমুদ্ৰৰ বুকুত নাও মেলি ওলাই যায়, তেতিয়া সিঁহতে সমুদ্ৰখনলৈ ৰ' লাগি চাই ৰয়। .. ইয়াৰ বুকুত লুকাই থকা অজস্ৰ ৰহস্যৰ কথা সিহঁতে আইতাকহঁতৰ মুখেৰে বহুবাৰ শুনিছে। অৱশ্যে সাগৰৰ বুকুত উঠা ভয়ংকৰ ধুমুহাৰ কথায়ো সিহঁতৰ বুকু কপাই থৈছে। তথাপিয়ো এই সাগৰখন সিহঁতৰ বাবে বৰ আপোন। মনত থকা দিনৰে পৰা সিহঁতে ইয়াৰ পাৰতেই খেলি – ধূলি ডাঙৰ হৈছে। সাগৰখন যেন সিহঁতৰ বাবে নিজৰ ঘৰখনৰ দৰেই।

(  দৃশ্যান্তৰৰ সংগীত)

ৰিণী – তুফান! তুমিতো সাগৰৰ আটাইতকৈ বেগী সাঁতোৰবিদ। তুমিতো ইয়াৰ বহু ঠাই দেখিছা নিশ্চয়। আৰু ডলী হ'ল যথেষ্ট বুধিয়ক। তোমালোকৰ যে বিশেষ শক্তি আছে আৰু আমাৰ লগত যে মানুহৰ দৰে কথা পাতিব পাৰা, সেয়া জানি আমাৰ ফুৰ্তিত ততেই নাই।

বাবলু – কিন্তু ৰিণী, আমি পিছে সোনকালে ঘূৰি যাব লাগিব। দেউতাই দুই – এদিনতে সাগৰত ধুমুহা হ'ব বুলি কৈছিল।

( এনেতে হঠাতে বিজুলী গাজনিৰ শব্দ হ'ব। ধাৰাসাৰ বৰষুণৰ শব্দ হ'ব। সমুদ্ৰত ধুমুহা অহাৰ দৰে পৰিৱেশৰ সৃষ্টি হ'ব)

বাবলু  (ভয়ত) – ৰিণী ...!!

ৰিণী (ভয়ত) – বাবলু ...!!

(সমুদ্ৰত ডাঙৰ ডাঙৰ ঢৌৰ শব্দ হ'ব)

তুফান (চিঞৰি) – বাবলু, ডলীক ধৰি থাকিবা। মই ৰিণীক চাম। ধুমুহা কমি যোৱাৰ পিছত আমি তোমালোকক আকৌ লগ পাম। ডলী, বাবলুক চাবা।

ডলী (চিঞৰি) – হ'ব হ'ব মই নিশ্চয় চাম। তোমালোকে নিজকে বচোৱা।

(লাহে – লাহে শব্দবোৰ কমি যাব)

(বিজুলী গাজনিৰ শব্দ চলি থাকিব)

তুফান – ৰিণী ভয় নকৰিবা। ডলী আৰু মই এনে বহু ধুমুহা পাৰ কৰি আহিছো।

ৰিণী – মই জানো তুফান। সাগৰৰ বুকুত যিমান ডাঙৰ বিপদেই নাহক কিয়, তোমালোকৰ লগত থাকিলে একো ভয় নাই। মই মাথো আন মানুহবোৰৰ কথাহে ভাৱি আছো। সাগৰৰ পাৰত কিমান মানুহে বাস কৰে আৰু জীৱিকাৰ বাবে সাগৰৰ ওপৰতেই নিৰ্ভৰ কৰে। এনে ধুমুহাই প্ৰতি বাৰেই আমাৰ বহু ক্ষতি কৰি থৈ যায়। আজি কিছুদিনৰ পৰা এনে ধুমুহা ঘনাই আহিবলৈয়ো ধৰিছে।

তুফান – তুমি ঠিকেই কৈছা ৰিণী। ভাৰতত এক নিযুতকৈও অধিক লোকে মাছ মাৰিয়েই জীৱিকা নিৰ্বাহ কৰে। ইয়াৰোপৰি ভাৰতৰ উপকূলীয় অঞ্চলসমূহে মুঠ ১.২ নিযুত মানৱ জনসংখ্যাৰ প্ৰায় ৩০% লোকক আশ্ৰয় দিয়ে।

ৰিণী ( আচৰিত হৈ) - তুফান, তুমি আৰু ডলীয়ে ইমানবোৰ কথা কেনেকৈ জানা বাৰু?

তুফান – আমাৰ আন বন্ধুবোৰৰ পৰা শিকিছো আকৌ।

ৰিণী (হাঁহি) – অ' হয় নেকি? পিছে কি জানা তুফান, আমাৰ গাৱঁৰ মানুহবোৰে কয় যে আমি হেনো সাগৰখনৰ খং তুলিছো আৰু সেয়েহে সাগৰখনে আমাক আগতকৈ বেছিকৈ শাস্তি দিয়ে আজিকালি।

তুফান – হয় নেকি? তোমালোকে বাৰু কেনেকৈ সাগৰখনৰ খং তুলিছা?

ৰিণী – তেওঁলোকে কয় যে আমি হেনো সাগৰৰ পৰা আমাৰ প্ৰয়োজনতকৈ অধিক আহৰণ কৰিছো। যিয়ে সাগৰৰ খং তুলিছে।

তুফান – সেইটো অৱশ্যে মিছা নহয়। মানুহে নিজৰ প্ৰয়োজনতকৈ অধিক আহৰণ কৰি আছে সাগৰৰ পৰা। কিন্তু বতৰৰ এই আমূল পৰিৱৰ্তণৰ অন্য কাৰনো নথকা নহয়। অৱশ্যে ইয়াৰ মুখ্য কাৰণ মানুহেই।

ৰিণী ( আচৰিত হৈ) – বিশ্বৰ বতৰৰ পৰিবৰ্তনৰ বাবে মানুহ কেনেকৈ জগৰীয়া হ'ব পাৰে? সেয়াতো আমাৰ নিয়ন্ত্রণৰ বাহিৰৰ কথা। নহয় জানো?

তুফান – মই বুজাই কৈছো ৰ'বা। কিন্তু প্ৰথমতে তুমি মোক কোৱাচোন তুমি গোলকীয় উষ্ণতাৰ বিষয়ে শুনিছানে?

ৰিণী – হয় হয় শুনিছো। আমাক স্কুলত শিকাইছে।

তুফান – কাৰ্বন- ডাই- অক্সাইড হৈছে আমাৰ পৰিৱেশৰ এটা অতি গুৰুত্বপূৰ্ণ গেছ। খাদ্য প্ৰস্তুত কৰিবলৈ গছে ইয়াক ব্যৱহাৰ কৰে। কিন্তু ই এক সেউজ গৃহ গেছ বা গ্ৰীণ হাউছ গেছ।

ৰিণী ( আচৰিত হৈ) – গ্ৰীণ হাউচ গেছ? আমি এবাৰ এখন ব'টা্নিকেল গাৰ্ডেনলৈ ফুৰিবলৈ যাঁতে এটা গ্ৰীণ হাউছ দেখিছিলো।

তুফান – হয়, ই একেটা নীতিতে কাম কৰে। গ্ৰীণ হাউছৰ গ্লাছৰ আৱৰণে পোহৰ ভিতৰলৈ সুমুৱাই দিয়ে, কিন্তু তাপ বাহিৰ হ'বলৈ নিদিয়ে। ফলত বাহিৰৰ জগতত‌কৈ গ্ৰীণ হাউছৰ ভিতৰত তাপ অধিক থাকে। কাৰ্বন – ডাই - অক্সাইডয়ে গ্ৰীণ হাউছৰ এই প্ৰভাৱটোৰ দৰে কাম কৰে বাবে ইয়াক গ্ৰীণ হাউছ গেছ বোলা হয়। ই পৃথিৱীলৈ অহা তাপ বাহিৰ হোৱাত বাধা দিয়ে আৰু ফলত পৃথিৱীখন অধিক তপত হ'বলৈ ধৰিছে।

ৰিণী – তাৰ মানে কাৰ্বন ডাই অক্সাইড পৃথিৱীৰ বাবে হানিকাৰক নেকি?

তুফান – পৃথিৱীৰ আদিতে ই হানিকাৰক নাছিল, ই পৃথিৱীৰ বৰফাবৃত পৰিৱেশটোক গৰম কৰি জীৱ- জন্তু বাস কৰিবলৈ উপযোগী কৰি তুলিছিল।

ৰিণী – মই বুজি পোৱা নাই তুফান। তেন্তে পৃথিৱীখন গৰম কৰি তোলাটো এটা প্ৰাকৃতিক প্ৰক্ৰিয়া নহ'ব জানো?

তুফান – হয়, পৃথিৱীৰ বাতাবৰণ চিৰ পৰিৱৰ্তণশীল আৰু ই এটা প্ৰাকৃতিক প্ৰক্ৰিয়া। কিন্তু বৰ্তমান মানুহে এই প্ৰক্ৰিয়াৰ গতি অতি বেছি পৰিমাণে বৃদ্ধি কৰিছে।

ৰিণী – কেনেকৈ?

তুফান – পৰিৱেশলৈ অত্যধিক কাৰ্বন ডাই অক্সাইড এৰি। কাৰ্বন ডাই অক্সাইড  চিৰদিন প্ৰকৃতিয়ে পাই আহিছে বিভিন্ন প্ৰাকৃতিক প্ৰক্ৰিয়াৰ দ্বাৰা। যেনে জ্বালামুখী, উদ্গীৰণ, বনজুই আৰু জীৱকুলৰ উশাহ - নিশাহৰ পৰা। কিন্তু যান-বাহন আৰু উদ্যোগৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত  কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ আকাশচুম্বী হৈছেগৈ। ১৯৭০ আৰু ২০০৪ চনৰ মাজৰ সময়খিনিতে পৰিৱেশত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ ৮০% বৃদ্ধি পাইছে।

ৰিণী – ইমান বেছি!!

তুফান – হয়। যোৱাটো শতিকাত গোলকীয় তাপমাত্ৰা প্ৰায় ০.৮ ডিগ্ৰী ছেণ্টিগ্ৰেড বৃদ্ধি পাইছে, যিটো হাজাৰ বছৰত সাবাতোকৈ অধিক বৃদ্ধি। তাপমাত্ৰাৰ এই বৃদ্ধিৰ ফলত সাগৰীয় ধুমুহাৰ প্ৰৱণতা আৰু প্ৰাৱল্য দুয়োটাই বাঢ়িছে। কিন্তু এইবোৰৰ আলোচনা বহুত হ'ল ৰ'বা। চোৱাচোন আমি আহি আহি ক'ত পালোহি। এয়া পাক ষ্ট্ৰেইট! মানে পক্ প্ৰণালী ...

আঁত ধৰোতা – এয়া চাওক! ৰিণী চাৰিওফালে চাই আনন্দত আত্মহাৰা হৈ পৰিছে। ইমানদিনে কেৱল ভূগোলৰ কিতাপত পঢ়ি অহা এখন ঠাইলৈ এনেকৈ হঠাতে আহি পালে তাই। ই হৈছে ভাৰত আৰু শ্ৰীলংকাক পৃথক কৰা এখন তেনেই ঠেক সাগৰ। নাম পক প্ৰণালী।

(সংগীত)

ৰিণী – বাঃ এয়া ইমান ধুনীয়া!

তুফান - কৈছা হে নে ৰিণী। কিন্তু অলপ সাৱধান হ'বা। এইখিনি ভাৰতৰ ভিতৰতে সবাতোকৈ বেছি মাছ মৰা ঠাইবোৰৰ ভিতৰত পৰে। জালবোৰৰ পৰা বাছি চলিবা।

(সংগীত)

আঁত ধৰোতা –... হঠাতে সঁচাকৈ এখন ডাঙৰ জালে ৰিণীহঁতক খেদি আহিলে। সিহঁত কথমপিহে জালত নপৰাকৈ ৰ'ল। জালখন বিশাল। ডাঙৰ শব্দ এটা কৰি সেইখন সাগৰৰ তলীত পৰিলগৈ।

( ডাঙৰকৈ পানীত জাল পৰাৰ শব্দ হ'ব)

ৰিণী ( আচতিত হৈ) – ওৱা! সেইখন জাল ইমান ডাঙৰ! দেউতাহঁতৰ জালবোৰতকৈ বহুগুণে ডাঙৰ। ইয়াত কি ধৰিব?

তুফান – এয়া এখন সাগৰৰ তলীলৈকে যাব পৰা ডাঙৰ জাল। সাগৰৰ তলীত থকা মাছবোৰ ধৰিবলৈ এইবোৰ জাল ব্যৱহাৰ কৰা হয়। বিশেষকৈ ডাঙৰ ডাঙৰ মিছা মাছ ...।

ৰিণী – সেইখন খুৱ তীব্ৰ বেগেৰে আহি আছে তুফান! (ভয়ত) বহুত মাছ সোমাইছে জালখনত। আৰু সেয়া কি? এটা কাছ দেখোন!

তুফান – এই ডাঙৰ জালবোৰত প্ৰয়োজনতকৈ বহু বেছি মাছ ধৰা হয়। বহু সময়ত চেঙেলীয়া মাছ আৰু কাছৰ দৰে প্ৰাণীবোৰো জালত বন্দী হয়। এনেবোৰ মাছ বজাৰত কোনেও নিকিনে। ফলত সেইবোৰ মৰি

যোৱাৰ পিছত আকৌ সাগৰতে পেলাই দিয়া হয়। আকৌ ডাঙৰ জালবোৰে সাগৰৰ তলীখন বৰ জোৰ কৈ ঘঁহি দিয়াৰ ফলত বহু জীৱৰ বাসস্থান নষ্ট হৈ যায়।

ৰিণী (অতি দুখত) – ইছ্ সাগৰৰ তলীখন এতিয়া এটা সমান বাটৰ দৰে লাগিছে। অলপ আগতে এইখন কিমান জীৱৰে জলমলাই আছিল! (খঙত) ইমান ক্ষতিকাৰক বুলি জানিও এনেবোৰ কাম কিয় চলি আছে?

তুফান – মই নিজেও এটা মাছ। মোৰ কিমান খং উঠে ভাৱাচোন! সিহঁতে আমাৰ থকা ঘৰবোৰ এনেকৈ বৰ্বৰ ভাৱে ধ্বংস কৰি পেলায়। অৱশ্যে, বহুতো লোকে মাছ মাৰিয়েই জীৱিকা নিৰ্বাহ কৰে। সেয়েহে তেওঁলোকক সম্পূৰ্ণভাৱে বাধা দিব পৰা নাযায়। কিন্তু চৰকাৰে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে। যেনে কণী হোৱা বতৰত মাছ মৰাটো নিষেধ কৰা হৈছে যাতে মাছৰ বংশ ৰক্ষা হয়। ইয়াৰ লগতে কিছুমান সাগৰীয় সুৰক্ষিত অঞ্চলৰো সৃষ্টি কৰা হৈছে।

ৰিণী – সাগৰীয় সুৰক্ষিত অঞ্চল কোনবোৰ নো তুফান?

তুফান – সাগৰৰ মাজৰ কিছুমান অঞ্চল অধিক স্পৰ্শকাতৰ। বহুতো দুষ্প্ৰাপ্য সাগৰীয় প্ৰাণীৰ বাসস্থান এই অঞ্চলবোৰক সেয়ে অধিক নিৰাপত্তাৰ প্ৰয়োজন হয়। এইসমূহক সুৰক্ষা আৰু সংৰক্ষণ প্ৰদান কৰিবলৈ সুৰক্ষিত অঞ্চলৰ সৃষ্টি কৰা হয়। এইবোৰ হৈছে সাগৰ, মহাসাগৰ অথবা বৃহৎ হ্ৰদসমূহৰ এনেবোৰ অঞ্চল য'ত চাৰিওফালৰ তুলনাত মানুহৰ কাৰ্যকলাপ অধিক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰা হয়। উদাহৰণ স্বৰূপে, আমাৰ এতিয়া নিচেই কাষতে থকা মান্নাৰ উপসাগৰীয় সামুদ্ৰিক ৰাষ্ট্ৰীয় উদ্যান।

ৰিণী ( আচৰিত হৈ) – কি! সাগৰৰ মাজত এখন ৰাষ্ট্ৰীয় উদ্যানো আছে?

তুফান – হয় আছে। ভাৰতত ৩১ টা উপকূলীয় আৰু সাগৰীয় সুৰক্ষিত অঞ্চল স্থাপন কৰা হৈছে। আনকি বন্যপ্ৰাণী সুৰক্ষা আইনখনেও কিছুমান সাগৰীয় প্ৰাণীকো সুৰক্ষা প্ৰদান কৰে।

ৰিণী – জানি ভাল পালো তুফান।

তুফান – তুমি মোক ভালদৰে ধৰি লোৱাচোন ৰিণী। মই তোমাক চাৰিওফালে ফুৰাই আনোগৈ। তুমি নতুনকৈ পিন্ধা মাছৰ পোছাকযোৰত আৰাম পোৱা নাই যেন লাগিছে।

ৰিণী (হাঁহি) – লাহে-লাহে ময়ো অভ্যস্ত হৈ উঠিছো ৰ'বা।

তুফান – কোৱাচোন ৰিণী, তুমি বাৰু সাগৰৰ তলীত থকা প্ৰবাল দ্বীপবোৰ চাব খোজানে?

ৰিণী (উত্তেজিত হৈ) – নিশ্চয় নিশ্চয়।

তুফান – তোমাৰ ইচ্ছা এতিয়া পূৰণ হবলৈ ওলাইছে ৰিণী। এয়া আমি লাক্ষাদ্বীপলৈ আগবাঢ়ি গৈ আছো।

ৰিণী ( আচৰিত হৈ)  -কিন্তু ইমান দূৰ আমি কেনেকৈ আহি পালো?

(সংগীত)

দৃশ্য ২

আঁত ধৰোতা – ... সিহঁত দুয়ো প্ৰবাল দ্বীপটোৰ মাজেৰে সৰকি যাব পৰা এটা ফাঁকেৰে পাৰ হৈ গ'ল, আৰু দ্বীপপুঞ্জটোক আৱৰি ৰখা লেগুনটোত প্ৰৱেশ কৰিলে। তুফান যিহেতু গভীৰ পানীতহে অভ্যস্ত আছিল গতিকে ইয়াত অলপ অসুবিধা পাইছিল কিয়নো লেগুনৰ পানী সিমান গভীৰ  নহয়।

ৰিণী (উত্তেজিত হৈ) – এয়াচোন প্ৰবাল দ্বীপ! বাঃ ইমান ধুনীয়া! মই কল্পনা কৰাতকৈ বহুত বেছি ধুনীয়া। ইমান ৰং, ইমান বৈচিত্ৰ্য, মই কল্পনাই কৰিব নোৱাৰা ধৰণৰ বিভিন্ন প্ৰকৃতিৰ মাছ। এই দ্বীপবোৰ দেখিলে ধৰিবই নোৱাৰি যে এইবোৰ কেৱল ৰঙীণ শিল নহয়, বৰঞ্চ অতি ক্ষুদ্ৰ শেলুৱৈকো আশ্ৰয় দিব পৰা স্থান। কিন্তু কিছুমান প্ৰবালদ্বীপৰ ৰং কিয় ইমান অনুজ্বল? এনে লাগিছে যেন সেইবোৰৰ অসুখ হৈছে।

তুফান – এয়া ব্লিছিঙৰ ফল।

ৰিণী – ব্লিছিং ...। সেয়া আকৌ কি?

তুফান – এই প্ৰবাল দ্বীপবোৰত অতি ক্ষুদ্ৰ ক্ষুদ্ৰ  শেলুৱৈয়ো বাস কৰে? যেতিয়া সাগৰৰ উষ্ণতা বৃদ্ধি পায়, যেনে ২০১৫ চনৰ এল্ নিনোৰ সময়ত, এই শেলুৱৈ বোৰ প্ৰবালদ্বীপৰ বাহিৰলৈ ওলাই আহে। যিহেতু প্ৰবালদ্বীপবোৰে নিজৰ পুষ্টি আৰু ৰং এনেবোৰ শেলুৱৈৰ পৰাই আহৰণ কৰে সেয়েহে শেলুৱৈ নাথাকিলে এইবোৰ ৰংহীণ আৰু মৃতৰ দৰে হৈ পৰে। উষ্ণতা স্বাভাৱিক অৱস্থালৈ ঘূৰি নহালৈকে এই স্থিতিক পুনৰ আগৰ অৱস্থালৈ নিব নোৱাৰি।

ৰিণী – এয়াও বাৰু গোলকীয় উষ্ণতাৰেই ফল নেকি? এইক্ষেত্ৰত সেইটোকে জগৰীয়া যেন লাগিছে।

তুফান – নিশ্চয় ভাৱে। এল্ নিনোৰ গোলকীয় উষ্ণতাৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকা বুলি প্ৰমাণিত হৈছে আৰু ই পৃথিৱীৰ জলবায়ু আগেয়ে কেতিয়াও নোহোৱা ধৰণৰ গতিৰে পৰিৱৰ্তিত কৰিবলৈ ধৰিছে। ইয়াৰ ফলাফল অতি ভয়াবহ হ'ব। ইয়াক আন কেবাটাও কাৰকে উদগণি দিছে। তুমি তোমাৰ ককা- আইতাহঁতে নিজৰ ল'ৰালিৰ কথাবোৰ পাতি থকা শুনিছানে? তেওঁলোকে নিজৰ কাহিণীবোৰত বাইক্, গাড়ী, ফেক্টৰী, উদ্যোগৰ বিষয়ে কিবা উল্লেখ কৰেনে?

ৰিণী – নাই। তেওঁলোকৰ ল'ৰালিৰ কাহিনীবোৰ থাকে কেৱল পশু – পক্ষী, গছ, নদী আৰু সাগৰৰ কথাহে। আইতাই কয় সেইবোৰেই তেঁওলোকৰ খেলপথাৰ আৰু খেলৰ লগৰী আছিল।

তুফান – সেয়া চোৱা। আগৰ দিনত বাঢ়ি যোৱা কাৰ্বন ডাই অক্সাইড খিনি শুহি ল'বলৈ আৰু পৃথিৱীখনত জোখৰ তাপ ধৰি ৰাখিবলৈ যথেষ্ট পৰিমাণৰ গছ – গছনি আছিল। কিন্তু যান-বাহন আৰু উদ্যোগ বৃদ্ধি পোৱাৰ লগে-লগে পাৰিপাৰ্শ্বিকতাত  কাৰ্বন ডাই অক্সাইডৰ পৰিমাণো বাঢ়িবলৈ ধৰে। কেৱল যোৱাটো শতিকাৰে আমাৰ বায়ুমণ্ডলত      কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ ১২ গুণ বৃদ্ধি পাইছে।

ৰিণী – ইমান বেছি !

তুফান – হয়। আৰু এই সময়চোৱাতে যথেষ্ট সংখ্যক গছ কটাৰ ফলত পৰিস্থিতি বেয়ালৈ ঢাল খাইছে।

ৰিণী – তেন্তে ইমানবোৰ কাৰ্বন ডাই অক্সাইডৰ কি হ'ব?

তুফান – সেইবোৰ সাগৰে শুহি লয়। বৰ্ধিত কাৰ্বন ডাই অক্সাইড বোৰ সাগৰত মিলি এটা দুৰ্বল অম্লৰ সৃষ্টি কৰে যাৰ ফলত সাগৰৰ পানী আম্লিক হৈ উঠে। ইয়াৰ বাবে কেলচিয়াম কাৰ্ব'নেই বা চূণৰ গোট মৰাটো বাধা আহে, যিটো প্ৰবালদ্বীপ সৃষ্টিৰ বাবে প্ৰয়োজনীয়।

ৰিণী – অ' তাৰমানে, গোলকীয় উষ্ণতাৰ ফলতেই, সাগৰৰ পানী আম্লিক হয় আৰু প্ৰবালদ্বীপবোৰ ধ্বংস হয় নেকি?

তুফান – কেৱল সেয়াই নহয়, ই বৰফৰ পাহাৰবোৰ গলায়, যাৰ ফলত সাগৰৰ পানীৰ পৃষ্ঠ ওপৰলৈ উঠে। ইয়াৰ বাবে বহুতো দ্বীপত বানপানী হয়, কিছুমান আনকি নোহোৱাও হৈ গৈছে। সাগৰৰ পাৰবোৰ খহে, তীৰবোৰ নোহোৱা হৈ পৰে। ই ধ্বংসকাৰী।

ৰিণী  ( চিন্তিত হৈ) – আমি এইবোৰ কেনেকৈ ৰোধ কৰিব পাৰো, তুফান?

তুফান – প্ৰথমতে, কাৰ্বন ডাই অক্সাইড ওলোৱাটো হ্ৰাস কৰিব লাগিব। সেইটোৱেই হ'ল প্ৰথম পদক্ষেপ। কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমণৰ মাত্ৰা মানুহৰ জীৱন – শৈলীৰ সৈতে প্ৰত্যক্ষভেৱে জড়িত। সেয়ে আমাক জীৱন -  শৈলীৰ আমূল পৰিৱৰ্তন লাগিব। অৱশ্যে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে মানুহক এই বিষয়ে সজাগ কৰি তোলাহে ...

ৰিণী – তুমি ঠিকেই কৈছা। বহু মানুহেই নাজানে যে তেওঁলোকে গোতেই ৰাতি জ্বলাই থোৱা এটা লাইটৰ বাবে প্ৰকৃতিৰ কিমান লোকচান হ'ব পাৰে। তুফান (দৃঢ়তাৰে) মই ঘৰলৈ উভতি গৈ সকলোকে এই বিষয়ে সজাগ কৰিম বুলি ভাৱিছো।

তুফান – বাঃ বঢ়িয়া! পৃথিৱীখন সকলোৰে বাবে সুন্দৰ কৰি তোলাৰ ক্ষেত্ৰত এয়া তোমাৰ ডাঙৰ বৰঙণী হ'ব।

দৃশ্য ৩

(সংগীতেৰে প্ৰসংগ পৰিৱৰ্তন)

আঁত ধৰোতা – সেই দ্বীপসমূহৰ পৰা আঁতৰলৈ সাঁতুৰি গৈ থাকোতে তুফান আৰু ৰেণীয়ে এনেকৈয়ে কথা পাতি গৈ থাকিল। ইফালে তুফান আৰু ৰিণীৰ পৰা পৃথক হোৱাৰ পিছত সাগৰৰ ধুমুহাই বাবলু আৰু ডলিক বংগোপ সাগৰৰ দিশলৈ উতুৱাই লৈ গৈ আছিল। গৈ থাকোতে বাটত ডলিয়ে বাবলুক নিজৰ বন্ধু সমুদ্ৰখনৰ সৈতে চিনাকী কৰি দিছে।

ডলি – হেৰা  সমুদ্ৰ, এয়া মোৰ মাটিৰ বন্ধু বাবলু। চিনাকী হোৱা।

সমুদ্ৰ – স্বাগতম বাবলু! তোমাক লগ পাই ভাল লাগিল। মাটিত মোৰো বহুতো বন্ধু আছে। কিন্তু অলপ দিনৰ পৰা মোৰ ওচৰলৈ এনে বহু বস্তুৱেই আহি আছে যিবোৰে পুনৰ ঘূৰি যাবলৈ নিবিচাৰে।

বাবলু – মাটিৰ পৰা কোন আহিছে?

সমুদ্ৰ – কিয়?? প্লাষ্টিক!! প্ৰথমতে মই কিছুমান সৰু সৰু প্লাষ্টিকৰ টুকুৰা বা বটলহে পাইছিলো পাৰত। কিন্তু এতিয়া সেইবোৰৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। সেইবোৰে হয়তো মোক বৰ ভাল পায়। কিন্তু সিহঁতে মোৰ বহু ক্ষতি কৰি আছে। মই সিহঁতক ঘূৰাই পঠাবলৈ বহুত চেষ্টা কৰো।

বাবলু (ক্ষমা খোজাৰ সুৰত) – ক্ষমা কৰিব সমুদ্ৰ। প্লাষ্টিকবোৰ নিজে নিজে তোমাৰ বুকুলৈ অহা নাই। মানুহে সেইবোৰ আৰু অন্য আৱৰ্জনাবোৰ তোমাৰ পানীত পেলাই দিছে।

সমুদ্ৰ  (সন্দেহ কৰি) – কিন্তু তুমিওতো মানুহ।

বাবলু – হয়, আৰু মই মানুহবোৰৰ হৈ তোমাৰ ওচৰত ক্ষমা বিচাৰিছো।

সমুদ্ৰ  ( খংত চিঞৰি) – তোমাৰ ক্ষমা প্ৰাৰ্থনাই মোক একো সহায় নকৰে বাবলু। সাগৰৰ বুকুলৈ এৰি দিয়া এই প্লাষ্টিকৰ আৱৰ্জনাই মোৰ সকলো জীৱৰে ক্ষতি কৰিছে। মোৰ কাছবোৰে সেইবোৰক ভুলতে ‘ জেলী মাছ’ বুলি ভাবে, চৰাইবোৰে প্লাষ্টিক বটলৰ কাকবোৰ মাছ বুলি ভুলতে গিলি পেলায়, কাছ, শিহু আৰু মোৰ সকলোবোৰ জীৱ তোমালোকে পেলাই দিয়া নষ্ট হোৱা জালৰ টুকুৰাত লাগি ধৰে! যদিওবা মই প্লাষ্টিকবোৰ ধুমুহা আৰু বানপানীৰ সময়ত পাৰলৈ ঠেলি নিওঁ, সেইবোৰ তোমালোকে আকৌ মোৰ গালৈ পেলাই দিয়া। তোমালোক মানুহবোৰে কথাবোৰ কেতিয়া বুজিবা বাৰু?

( অলপ সময় লৈ পুনৰ লাহেকৈ আৰম্ভ কৰে)

তুমি জানানে, তোমালোকে সাগৰৰ বুকুত দলিয়াই পেলোৱা প্লাষ্টিকবোৰ সৰু-সৰু টুকুৰা হৈ পৰে, যিবোৰ মাছে ভুলতে নিজৰ খাদ্য বুলি খায়? কল্পনা কৰাচোন সিঁহতৰ স্বাস্থ্যৰ ওপৰত কেনেকুৱা প্ৰভাৱ পৰে!

যেতিয়া তোমালোকে সেইবোৰ মাছ খোৱা, তেতিয়া প্লাষ্টিক তোমালোকৰ শৰীৰতো প্ৰৱেশ কৰে। গতিকে মানুহে নিজৰ ধ্বংসৰ বাট নিজেই সৃষ্টি কৰি আছে।

(সংগীত)

সমুদ্ৰ (লাহেকৈ) - কিন্তু তোমাক ভাল ল'ৰা যেন লাগিছে বাবলু। তুমি উভতি গৈ মানুহখিনিক এই বিষয়ে সজাগ কৰিবানে? কথা দিয়া যে তেওঁলোকক এনেবোৰ কাম কৰিবলৈ বাধা দিবা।

বাবলু ( আগ্ৰহত) – হয়, বিশাল সমুদ্ৰ! মই কথা দিছো, মানুহক মই প্লাষ্টিকৰ ফলত হোৱা ক্ষতিৰ বিষয়ে নিশ্চয় বুজাই ক'ম।

সমুদ্ৰ (সন্তোষত) – শুনি বৰ ভাল পালো বাবলু। এতিয়া তোমালোক যোৱাগৈ তেন্তে।

বাবলু – ঠিক আছে, আকৌ লগ পাম ...

(সংগীতেৰে সময় বিৰতি)

বাবলু (উত্তেজনাত) – আমি আন্দামান নিকোবাৰ দ্বীপপুঞ্জ পালোহি নেকি বাৰু ডলি?

ডলি – তুমি ঠিক কৈছা বাবলু! আৰু মই ভাৱো তুমি সেই প্ৰবাল দ্বীপবোৰ দেখিয়েই এই কথা ধৰিব পাৰিছা। আন্দামান – নিকোবাৰ দ্বীপপুঞ্জৰ এয়া বিশেষত্ব। কিন্তু তুমি জানানে যে এই দ্বীপপুঞ্জত গভীৰ সুন্দৰবনী অৰণ্য মানে মেংগ্ৰোভৰ অৰণ্য আছে?

বাবলু – হয় নেকি? বঢ়িয়া! মেংগ্ৰোভৰ অৰণ্যই ভূমিস্খলন, বানপানী আৰু চুনামী প্ৰতিৰোধ কৰাৰ লগতে এইবোৰ বহুতো প্ৰজাতিৰ মাছৰ বাসস্থান।

ডলি – হয়, কিন্তু মেংগ্ৰোভৰ অৰণ্যও এতিয়া ধ্বংসৰ গৰাহত। এই অৰণ্য কৃষি, মাছ পালন আৰু নগৰীকৰণৰ বাবে কটা হৈছে। গোলকীয় উষ্ণতায়ো এইবোৰ ধ্বংস কৰি আছে। সাগৰৰ পানী বাঢ়ি অহাৰ ফলত সুন্দৰবন ৰাষ্ট্ৰীয় উদ্যানৰ  সাৰে সাঁত হেজাৰ হেক্টৰ মেংগ্ৰোভৰ অৰণ্য ডুব গৈছে।

বাবলু – শুনি বৰ দুখ পালো ডলি। আশা কৰো এইবোৰ ৰোধ কৰিবলৈ আইনী ব্যৱস্থা লোৱা হ'ব। মই ঘৰলৈ উভটি গৈ এই বিষয়ে জানিবলৈ যত্ন কৰিম।

ডলি – ঠিক আছে বাবলু। এতিয়া সাৱধান হোৱা। আমি এই ঠাই এৰিবলৈ লৈছো। সাগৰে আমাক এতিয়া উটুৱাই লৈ যাব। (এটা ডাঙৰ শব্দ হ'ব)

ৰিণী (দুখত) – বাবলু, আমি ভৱাৰ দৰে কথাবোৰ নহয় জানানে? সমুদ্ৰখনৰ ওপৰত কিমান যে অত্যাচাৰ চলি আছে!

বাবলু – তুমি ঠিকেই কৈছা। সমুদ্ৰখন ইমান ধুনীয়া আৰু ইমানবোৰ আচৰিত বস্তুৰে ভৰা। কিন্তু লাহে লাহে ই নষ্ট হ'বলৈ ধৰিছে। (হঠাতে উত্তেজিত হৈ) সেয়া চোৱা! পাৰৰ ওচৰত সেয়া কিনো? সাগৰৰ মাজত যেন এটা ৰঙীণ নিজৰা যেনহে দেখাইছে ...। ব'লাছোন, ব'লা, সেইটো কি চাওঁগৈ ব'লা...

ডলি – ৰিণী, বাবলু সেইফালে নাযাবা! নাযাবা, নাযাবা ... বিপদ আছে ...

ৰিণী (ঘিণত) – চিঃ চিঃ বাবলু, এয়া নদী নহয়। এইবোৰ পাইপৰ পৰা ওলাই অহা কিবা এসোপা বিজলুৱা বস্তু!

বাবলু – চিঃ চিঃ মোৰ গাত গোটেই বিজল!

ডলি (হাঁহি হাঁহি) – তোমালোকে এইমাত্ৰ গা ধুই অহা নদীখন আন একো নহ্য। সেয়া হৈছে উদ্যোগবোৰৰ জুলীয়া আৱৰ্জনা।

ৰিণী ( আচৰিত হৈ) – এই গোটেই আৱৰ্জনাবোৰ তেন্তে সাগৰৰ পানীত এৰি দিয়ে!

ডলি – কেৱল এয়াই নহয়। সমগ্ৰ ভাৰতৰ উপকূলতে এনে হাজাৰ হাজাৰ উদ্যোগ আছে, যিবোৰে আৱৰ্জনাবোৰ পৰিস্কাৰ নকৰাকৈয়ে সাগৰৰ বুকুত এৰি দিয়ে। ইয়াৰোপৰি চহৰবোৰৰ মানুহে ব্যৱহাৰ কৰাৰ পিছত দূষিত হোৱা পানীও সাগৰৰ বুকুলৈ যায়।

বাবলু – কিন্তু এয়াতো আইনী কথা নহয়।

তুফান – নাই নাই কেতিয়াও নহয়, ভাৰতত সাগৰৰ পানীক প্ৰদূষণমুক্ত কৰি ৰাখিবলৈ বহুতো আইন আছে। কিন্তু মানুহে সেইবোৰ পালন নকৰে। সজাগতাৰ অভাৱ। মানুহে এই দিশটো লৈ চিন্তিত নহয়। সেইবাবে আইনবোৰ ৰূপায়ণ নোহোৱাকৈ থাকি যায়।

ডলি – এই দূষিত পদাৰ্থই কেৱল পানীৰ প্ৰদূষণেই নকৰে বৰং ই সাগৰখন মাছ আৰু অন্যান্য জীৱৰ বাসৰ বাবে অনুপযোগী কৰি তুলিছে। ২০১৪ চনত সুন্দৰবনত হোৱা তেল মিহলিৰ ঘটনাটো মনত আছেনে? তেতিয়া বহুতো সাগৰীয় জীৱৰ মৃত্যু ঘটিছিল।

তুফান – সেয়া সেয়া চোৱা অলপ দূৰৈত সোঁফালে এখন গৱেষণা কৰা জাহাজ। তোমালোক দুয়ো সেইখনৰ ফালে আগবাঢ়া। তাত থকা লোকসকলে তোমালোকক তুলি ল'ব আৰু ঘৰলৈ লৈ যাব।

ডলি – বাবলু আৰু ৰিণী!  তোমালোক দুয়োৰে কথা সদায় বৰ মনত পৰিব!

ৰিণী – আমাৰো বৰ মনত পৰিব!

বাবলু – সোনকালে  নিশ্চয় আকৌ লগ পাম!

চাৰিও – আহোঁ দেই ...!

(সংগীত)
দৃশ্য ৪

আঁত ধৰোতা – জাহাজত থকা গৱেষকৰ দলটো ল'ৰা – চোৱালীহালক দেখি বৰ আচৰিত হ'ল। ইতিমধ্যে সিহঁতে মানুহৰ ৰূপ লৈছিল। সিহঁতক লৰালৰিকৈ তুলি সলাবলৈ কাপোৰ, পানী আৰু খোৱা বস্তু দিয়া হ'ল।

(সংগীতেৰে সময় বিৰতি)

গৱেষক – ... ইচ! ভাইটি - ভণ্টিহ'ত ! এই মহাসমুদ্ৰত তোমালোক ... এই কণমানি দুটাই ...??

ৰিণী - ... দাদা, সেইবোৰ বহু-ত কথা, আপোনালোকক পিছে – পৰেও জনাম ... আচলতে আমি দুয়ো ... সাগৰৰ বিষয়ে জানিবৰ বাবেই ... এই কষ্টকৰ সমুদ্ৰযাত্ৰা ...

গৱেষক – হ-হ-হয় নেকি? বৰ ভাল কথা, বৰ ভাল কথা। .. তোমালোকে নিশ্চয় বহু কথাই নিজেই দেখিলা, নিজেই বুজিলা ...

ৰিণী আৰু বাবলু – হয় দাদা! তথাপিও আমাৰ যেন আৰু বহুতো জানিবলৈ ৰৈ গ'ল ...

গৱেষক – তোমালোকে আৰু কি জানিব বিচাৰিছানো ?

ৰিণী (খৰকৈ) – আমি জানিব বিচাৰিছো যে আমাৰ জীৱনবোৰ সাগৰৰ ওপৰত নিৰ্ভৰশীল হোৱা স্বত্তেও মানুহে সাগৰখন কিয় ধ্বংস কৰি আছে?

গৱেষক – এৰা, সেইটোৱেইতো আজিৰ দিনত ডাঙৰ প্ৰশ্ন। এইটো কথা সঁচা যে মানুহে জানি- শুনি অথবা অজানিতে নিজৰ কাম- কাজৰ দ্বাৰা সাগৰৰ বহুতো ক্ষতি কৰি আছে। কিন্তু সাগৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবেও ইতিমধ্যে বহুতো কাম কৰা হৈছে।

বাবলু – কেনে ধৰণৰ কাম কৰা হৈছে?

গৱেষক – উদাহৰণ স্বৰূপে বন্যপ্ৰাণী সুৰক্ষা আইন আৰু বন সংৰক্ষণ আইন, যিয়ে সাগৰীয় জৈৱ বৈচিত্ৰক সুৰক্ষা প্ৰদান কৰে। অথবা সাগৰীয় জাল মৰা নিয়ন্ত্ৰণ আইন যিয়ে জালৰ ফুটাৰ আকাৰ নিৰ্ধাৰণ কৰাৰ পৰা মাছ মৰাৰ বাবে নিষেধ সময়বোৰো ঘোষণা কৰে। এই আইনবোৰে কাম কৰিয়ে আছে।

বাবলু– তথাপিও দেখোন ... আমি যি দেখিলো ...

ডুয়ো – তাৰপৰা আৰু বহুত কিবাকিবি কৰিবলৈ থাকি যোৱা যেন লাগে।

গৱেষক – এৰা! কথাটো সঁচা। এতিয়াও আৰু বহুত কৰিব লগা আছে। আমি সদায় আইন আৰু সেইবোৰৰ ৰূপায়ণ নোহোৱাৰ কথাহে কওঁ। আমি পাহৰি যাওঁ যে সাগৰবোৰ কেৱল কৰ্তৃপক্ষৰে দায়িত্ব নহয়। সাগৰবোৰ আমাৰ সকলোৰে সম্পদ আৰু সেইবাবে ইয়াক সুকলমে ৰখাটো আমাৰ সকলোৰে দায়িত্ব।

ৰিণী – আপুনি একেবাৰে ঠিক কথাকে কৈছে। সাগৰক সুৰক্ষা দিবলৈ সাধাৰণ লোক, কৰ্তৃপক্ষ আৰু বিজ্ঞানী সকলোৱে একেলগে কাম কৰিব লাগিব। অৱশ্যে সাগৰ সম্পৰ্কে আমি নজনা কথা এতিয়াও অনেক আছে।

গৱেষক – সঁচা কথা। যদিওবা নতুন নতুন প্ৰযুক্তি আৰু সঁজুলিৰ ব্যৱহাৰে আমাক সাগৰখন চিনি পাবলৈ যথেষ্ট সহায় কৰি আছে, আৰু উদাহৰণ স্বৰূপে, সংহত উপকূল ব্যৱস্থাপনা প্ৰকল্পটোৰ কথাকেই কওঁ। এই প্ৰকল্পটো বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত আৰু ইয়াৰ লক্ষ্য হৈছে সাগৰসমূহৰ সুৰক্ষাৰ বাবে জ্ঞানসমৃদ্ধ প্ৰজন্ম গঢ়ি তোলা আৰু উপযুক্ত দক্ষতা বৃদ্ধি কৰা। ই উপকূলীয় পৰিৱেশতন্ত্ৰৰ সকলো দিশ সামৰি লৈছে – মেংগ্ৰ’ভ অৰণ্যৰ পৰা জীৱিকা নিৰ্বাহলৈ, প্ৰদূষণ নিয়ন্ত্ৰণৰ আৰু নিৰীক্ষণৰ লগতে আনকি আৱৰ্জনা নিষ্কাষণলৈ, সকলো।

ৰিণী – তাৰ মানে আশাব্যঞ্জক কথা এতিয়াও আছে। পৰিস্থিতিৰ পৰিৱৰ্তন নিশ্চয় ভাললৈ হ’ব।

গৱেষক – যদি সকলোৱে ইয়াৰ প্ৰয়োজন বুজি পায় আৰু একত্ৰিতভাৱে কাম কৰে তেন্তে নিশ্চয় ভাল পৰিৱৰ্তন হ’ব।

(সংগীত)

ৰিণী (এলাহ ভাৰত) – চাওঁক, আমি সচাঁকৈয়ে বৰ ভাগৰুৱা হৈ পৰিছো। আমি এই বিষয়ে কাইলৈ কথা পাতিব পাৰোনে?

গৱেষক – ঠিক আছে। যিহেতু আজি তোমালোক ভাগৰুৱা হৈ আছা, আজি জিৰণী লোৱা। কিন্তু কাইলৈ তোমালোকে মোক গোটেই কাহিনীটো ক’বই লাগিব। ঠিক আছে? এতিয়া তোমালোকৰ ঘৰৰ ফোন নম্বৰ বোৰ দিয়া। তোমালোক ভালে আছা বুলি মই ফোনেৰে জনাই দিওঁ।

ৰিণী আৰু বাবলু – ঠিক আছে। (সংগীত)

আঁত ধৰোতা – আমিও সকলোৱে ঠিক সেই আশাকেই কৰো। .. তাৰ পিছত শুনক সঁচাকৈ বহুযোজন সাঁতুৰি সাঁতুৰি ভাগৰুৱা হৈ পৰা ৰিণী আৰু বাবলু বিচনাত পৰিয়েই টোপনিত লালকাল দিলে। সপোনত সিহঁতে কেৱল দেখিলে সাগৰৰ মাজত দেখা সেই অপূৰ্ব দৃশ্যবোৰ। অচিন দেশ এখনৰ পৰাহে যেন সিহঁত ঘুৰি আহিছে। সাগৰখনক সুৰক্ষা দিবলৈ সিহঁতে কৰা পণবোৰ সিহঁতৰ মনত পৰি থাকিল। এই কল্পযাত্ৰাই সিহঁতক বহুতেই শিকালে, বহুত শিকিবলৈ বাকি থাকি গ'ল। সিহঁতে অনুভৱ কৰিলে, মানুহবোৰ সজাগ হৈ অহৰহ কামত লাগি নাথাকিলে… মহাসাগৰৰ মহাসমাজ এদিন আজিতকৈ আৰু বেছি মহাবিপদত পৰিণত হ'ব, মহা দুৰ্য্যোগত পৰিণত হ'ব। ( শীৰ্ষক গীতৰ একাংশ)

*************************************************************************

প্ৰশ্ন/ প্ৰস্তুতি ড° শ্যামা প্ৰসাদ শৰ্মা

১. ভাৰতত অনুমানিক কিমান মানুহে মাছ মাৰিয়েই জীৱকা নিৰ্বাহ কৰে?

- প্ৰায় এক নিযুতৰ ওপৰ।

২. ভাৰত আৰু শ্ৰীলংকাক পৃথক কৰা ঠেক সাগৰ অঞ্চলটোৰ নাম কি?

- পক্ প্ৰণালী।

*************************************************************************